সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



# প্ৰথম শ্ৰেণীৰ বাবে

## ঝংকাৰ

### অধ্যায় - ৯

## যাতায়াত আৰু যোগাযোগ

অংশ - ৩
নাওঁৰে যাত্ৰা (পাঠ – ২)

গীতিমা দাস

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

## শুনো আহা —



"বাঃ কি মজা! আমি আজি ফুৰিবলৈ যাম।" ৰবীন তাৰ বায়েক ৰিজু পায়েঙৰ লগত ৰাতিপুৱাই নাৱত উঠি যাবলৈ ওলাল। বায়েকে তাক আজি মাহীয়েকৰ ঘৰলৈ লৈ যাব।

নাওখনত তাৰ বন্ধু কমলক লগ পাই ৰবীন বৰ আনন্দিত হ'ল। "কমল, আহা আমি খেলোঁ। বৰ ভাল লাগিব।" সিহঁত দুয়ো লাইফ-জেকেট পিন্ধি নাওখনৰ ওপৰতেই জঁপিয়াই জঁপিয়াই খেলিবলৈ ধৰিলে।



নাৱৰীয়া কায়ে ক'লে-"ৰ'বা, তোমালোকে এইদৰে জঁপিয়াই নাথাকিবা। ভালদৰে বহি থাকা।"

অলপ সময় বৈ সিহঁতে আকৌ খেলিবলৈ ধৰিলে- "বাঃ, খেলি ইমান যে ভাল লাগিছে!"



হঠাৎ নাওখন বেঁকা হৈ গ'ল। কি হ'ব এতিয়া! লাহে লাহে নাওখনে টুলুং-ভুটুং কৰিবলৈ ধৰিলে। তাকে দেখি ৰবীনে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। নাৱত থকা সকলোৱে বৰ ভয় খালে।



নাৱৰীয়া ককায়ে ক'লে- "সেইবাবেহে মই তোমালোকক ভালদৰে বহি থাকিবলৈ কৈছিলোঁ।"

কমল আৰু ৰবীনে নিজৰ ভুল বুজি পালে। সিহঁত নিজৰ ঠাইত মনে মনে বহি থাকিল।



নাওখন পুনৰ ভালদৰে চলিল। অলপ পিছত সিহঁত দুয়ো সাৱধানে নাৱৰ পৰা নামিল। মাহীয়েকৰ ঘৰলৈ গৈ দিনটো সিহঁতে বহুত আনন্দৰে পাৰ কৰিলে।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



## কথা পাতোঁ আহা —

ক) ৰবীন কাৰ লগত ফুৰিবলৈ গৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

**খ) নাওখন কিয় টুলুং-ভুটুং কৰিছিল?**



গ) নাৱত থকা মানুহবোৰে কিয় ভয় খাইছিল?



ঘ) নাৱৰীয়া ককায়ে সিহঁতক কিয় ভালদৰে বহি থাকিবলৈ কৈছিল?



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

## ছবি চাই কওঁ আহা —

ড, ড়, ং

ড়



ড



ং



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



## পঢ়োঁ আহা —

ৰহিমৰ খুৰাক চহৰলৈ যাব।
পিছে বতৰটো বৰ ডাৱৰীয়া।
এতিয়া তেওঁ কি কৰিব?

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

## লিখোঁ আহা —



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

## লিখোঁ আহা —

| | | | |
|---|---|---|---|
| ড | ড | ড | ড |
| ড় | ড় | ড় | ড় |

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্ৰ শিক্ষা

# মূল্যায়ন

Under CSR Support by ipca | Foundation

১ ৰবিন কাৰ লগত যাবলৈ ওলাল -

ক বায়েক

খ ভায়েক

# মূল্যায়ন

২ নাওখনত সি কাক লগ পালে ?

ক কমল

খ অমল